অধ্যায় ৯ ঃ বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ সৃষ্টি

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ সৃষ্টি
৯.৪ ঋণ সৃষ্টিৰ ক্ষেত্রত থকা সীমাৱদ্ধতা
৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৬ অধিক জানিবৰ বাবে
৯.৭ অগ্রগতিৰ খতিয়ান
৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ সৃষ্টিৰ ভিত্তিৰ বিষয়ে জ্ঞাত হ'ব
- বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ পদ্ধতি সম্পর্কে ধাৰণা লাভ কৰিব
- ঋণ গুণিতকৰ সংজ্ঞা সম্পর্কে জ্ঞাত হ'ব
- ঋণ সৃষ্টিৰ সীমাবদ্ধতাবোৰ সম্পর্কে অনুধাৱন কৰিব পাৰিব।

৯.২ পৰিচয়

ঋণ সৃষ্টিৰ সামর্থই বেংক এটাক আন বিত্তীয় অনুষ্ঠানৰ পৰা পৃথক কৰি ৰাখে। ঋণ সৃষ্টি বাণিজ্যিক বেংকৰ এক অদ্বিতীয় উল্লেখনীয় কার্য। অভিজ্ঞতাৰ পৰা বেংকে জানিব পাৰিছে তেওঁলোকৰ জমা থকা আটাইখিনি আমানত এটা নির্ধাৰিত সময়ত আমানতকাৰীসকলে একেলগে উঠাই নিনিয়ে। বৰং এক বৃহৎ পৰিমাণৰ আমানত তেওঁলোকৰ তাত এনেয়ে পৰি থাকে। যিখিনি তেওঁলোকে আনক আগধন, ঋণ আদি হিচাপে দিব পাৰে। আন কথাত বেংকবোৰ তেওঁলোকৰ দেনাৰ (আমানত) এটা অংশ পাওনা (ঋণ) লৈ পৰিবর্তন কৰিব পাৰে আৰু তাৰ জৰিয়তে আয় উপার্জন কৰিব পাৰে। এয়েই ঋণ সৃষ্টিৰ আৰম্ভণি আৰু এই পাঠটোত আমি সহজ ব্যাখ্যা (বর্ণনা) ৰে ঋণ সৃষ্টিৰ পদ্ধতিটো আলোচনা কৰিম। আমি সমগ্র ব্যৱস্থাটো সহজ গণিতিক সুত্রৰ সহায়ত ব্যাখ্যা কৰি দেখুৱাব বিচাৰিছো। কেনেকৈ জনসাধাৰণে বেংকত জমা থোৱা প্রাৰম্ভিক আমানতৰ পৰা বেংকে বৃহৎ পৰিমাণৰ ঋণ সৃষ্টি কৰিব পাৰে ।

এই পাঠটোৰ মূল আলোচ্য বিষয়টোত সোমোৱাৰ আগতে কেন্দ্রীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজত থকা পার্থক্যখিনি আমি পৰিষ্কাৰভাৱে জানিব লাগিব। আগৰ পাঠটোত আমি

কেন্দ্রীয় বেংক আৰু বাণজ্যিক বেংকবোৰৰ কাম-কাজৰ বিষয়ে উল্লেখ কৰিছোহঁক। আমি উল্লেখ কৰিছো যে একমাত্র কেন্দ্রীয় বেংকেহে নোট সৃষ্টি কৰিব পাৰে (নোট সৃষ্টি কৰাটো কেন্দ্রীয় বেংকৰ একচেটিয়া অধিকাৰ) আৰু ই মুদ্রাৰ যোগানো নিয়ন্ত্রণ কৰে। আমি আৰু জানিব পাৰিছো যে ঋণ সৃষ্টি কৰা ক্ষমতাৰ বাবে বাণিজ্যিক বেংক আন বেংকৰ পৰা বেলেগ। ঋণ অর্থ ব্যৱস্থাত প্রচলিত মুঠ মুদ্রা যোগানৰ এটা গুৰুত্বপূর্ণ অংশ। এইখিনিতে কেন্দ্রীয় বেংক আৰু বাণিজ্যিক বেংকৰ মর্য্যদা সম্পর্কে সন্দেহ উপজিব পাৰে। এই সন্দর্ভত দুয়োবিধ বেংকৰ মাজত থকা পার্থক্যখিনি পৰিষ্কাৰভাৱে জনা উচিত। তলত চমুকৈ এই পার্থক্যবোৰ আলোচনা কৰা হ'ল।

কেন্দ্রীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজৰ মৌলিক পার্থক্য ঃ

- কেন্দ্রীয় বেংক দেশখনৰ প্রধান মৌদ্রিক অনুষ্ঠান, যাৰ ওপৰত দেশখনৰ বেংক ব্যৱস্থাক নিয়ন্ত্রণ কৰাৰ বিশেষ দায়িত্ব অর্পণ কৰা হৈছে। ইয়াৰ বিপৰীতে বাণিজ্যিক বেংকবোৰ দেশখনত প্রচলিত বেংক ব্যৱস্থাৰ এটা উপাদানহে।
- কেন্দ্রীয় বেংকে লাভ কৰাৰ উদ্দেশ্যে কাম নকৰে বা লাভৰ অভিপ্রায় কেন্দ্রীয় বেংকৰ উদ্দেশ্য নহয়। কেন্দ্রীয় বেংকৰ প্রধান লক্ষ্য হৈছে চৰকাৰৰ অর্থনৈতিক নীতিৰ লক্ষ্যবোৰত উপনীত হোৱা আৰু মুদ্রাগত ব্যৱস্থাবোৰৰ জৰিয়তে সামাজিক কল্যাণ সর্বাধিক কৰা। আনহাতে বাণিজ্যিক বেংকৰ প্রাথমিক উদ্দেশ্যই হৈছে লাভ উপার্জন কৰা।
- কেন্দ্রীয় বেংক ৰাষ্ট্রীয় মালিকানাৰ অনুষ্ঠান আনহাতে বাণিজ্যিক বেংকবোৰ সাধাৰণতে ব্যক্তিগত মালিকানাৰ অনুষ্ঠান।
- কেন্দ্রীয় বেংকে প্রত্যক্ষভাৱে জনসাধাৰণৰ লগত ব্যৱসায় নকৰে বা সম্পর্ক নাৰাখে। আনহাতে বাণিজ্যিক বেংকবোৰৰ জনসাধাৰণৰ লগত প্রত্যক্ষ সম্পর্ক থাকে।
- কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ লগত প্রতিযোগিতা নকৰে। বৰং ই শেষ মুহূর্তৰ ঋণদাতা হিচাপে কাম কৰি বাণিজ্যিক বেংকক সহায়হে কৰে।
- কেন্দ্রীয় বেংকৰ নোট প্রচলন কৰাৰ একচেটিয়া অধিকাৰ আছে বাণিজ্যিক বেংকৰ এইটো অধিকাৰ নাই।
- কেন্দ্রীয় বেংক দেশখনৰ বৈদেশিক বিনিময় মুদ্রাৰ সংৰক্ষক, বাণিজ্যিক বেংকে বৈদেশিক বিনিময় মুদ্রাৰ ব্যৱসায়হে কৰে।
- কেন্দ্রীয় বেংকে চৰকাৰৰ বেংক হিচাবে কাম কৰে, বাণিজ্যিক বেংক জনসাধাৰণৰ বেংক।
- কেন্দ্রীয় বেংকে বেংকবোৰৰ বেংক হিচাবে কাম কৰে ঃ (১) বাণিজ্যিক বেংকবোৰে তেওঁলোকৰ সংৰক্ষিত জমা পুঁজিৰ এটা অনুপাত কেন্দ্রীয় বেংকত জমা থ'ব লাগে (২) জৰুৰী অৱস্থাৰ সময়ত কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকবোৰক সহায় কৰে আৰু (৩) কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ ক্ষেত্রত পৰিশোধ ভৱন হিচাপে কাম কৰে। কিন্তু বাণিজ্যিক বেংকবোৰে সেইবোৰ কাম নকৰে।

৯.৩ বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ সৃষ্টি

ইতিমধ্যে আমি উল্লেখ কৰিছোঁ যে ঋণ সৃষ্টিৰ ক্ষেত্ৰত বাণিজ্যিক বেংকৰ এক ক ক্ষমতা আছে। বেংকত জমা থোৱা সকলোবোৰ আমানত একে সময়তে উঠোৱা নহয় বাবে বেংকে মুঠ জমাৰ এটা ক্ষুদ্ৰ অংশহে নগদ মুদ্ৰা হিচাপে ৰাখে। বাকী অংশখিনি বেংকে ঋণ প্ৰদানৰ বাবে ব্যৱহাৰ কৰিব পাৰে। ঋণ লওঁতাৰ নামত এটা হিচাপ বা একাউণ্ট খুলি বেংক ঋণ প্ৰদান কৰা হয়। যিবোৰ জমাকাৰীয়ে (আমানতকাৰীয়ে) বেংকলৈ আহি আমানত সৃষ্টি কৰে সেইবোৰক *প্ৰাথমিক জমা* (primary deposit) বোলে। ঋণ গ্ৰহণকাৰীক ঋণ দিওঁতে বেংকে যি আমানতৰ সৃষ্টি কৰে তাকে *গৌণ বা উদ্ভূত আমানত* (derivative deposit) বোলে। এটা প্ৰাথমিক আমানতৰ পৰাই বহুতো গৌণ আমানতৰ সৃষ্টি কৰিব পাৰি। ইয়াকে ঋণ সৃষ্টি বুলি কোৱা হয়।

আমি ইতিমধ্যে লক্ষ্য কৰিলো যে ঋণ সৃষ্টি বাণিজ্যিক বেংকবোৰৰ গুৰুত্বপূৰ্ণ কামবোৰৰ এটা, ই মুদ্ৰা যোগানৰ বৃহৎ অংশ এটাক সূচায়। এই বিষয়টোৰ ক্ষেত্ৰত বাণিজ্যিক বেংকবোৰ দেশৰ আন আন বিত্তীয় অনুষ্ঠানৰ পৰা বেলেগ। আন বিত্তীয় প্ৰতিষ্ঠানবোৰে জমাকাৰীৰ হাতৰ পৰা ঋণ বিচৰা লোকলৈ টকা হস্তান্তৰ কৰে। বাণিজ্যিক বেংকে এনে কামবোৰ কৰি ঋণ বা বেংক মুদ্ৰাৰ সৃষ্টি কৰে। অধ্যাপক Sayers ৰ মতে, বেংকবোৰ মুদ্ৰাৰ সৰবৰাহকাৰীয়ে নহয় প্ৰকৃতাৰ্থত তেওঁলোকে মুদ্ৰাৰ নিৰ্মাণ কৰ্তাই।

ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো সংঘটিত হয় যেতিয়া বেংকবোৰে আমানত গ্ৰহণ কৰে আৰু উপভোক্তাক ঋণ আগবঢ়ায়। যেতিয়া উপভোক্তাসকলে বেংকত মুদ্ৰা জমা কৰে তাক প্ৰাথমিক আমানত বোলে। এই মুদ্ৰাবোৰ বা আমানতবোৰ তেওঁলোকে তৎক্ষণাত উলিয়াই নিনিয়ে। গতিকে বেংকবোৰে এই জমা হোৱা আমানতৰ এটা পৰিমাণ সংৰক্ষিত জমা হিচাপে ৰাখে ইয়াকে সংৰক্ষিত জমাৰ অনুপাত (CRR) বুলি কোৱা হয় আৰু বাকী থকা আমানত ঋণ আৰু আগধন (Advance) হিচাপে দিয়ে। গতিকে প্ৰত্যেক আমানতেই ঋণ সৃষ্টি কৰে (Every Deposits creates a loan)। বাণিজ্যিক বেংকবোৰে কিছুমান বন্ধকী বা নিৰাপত্তা পত্ৰৰ বিপৰীতে জনসাধাৰণক ঋণ দিয়ে, কিন্তু বেংকে প্ৰত্যক্ষভাৱে বা পোনপটীয়াকৈ ঋণ নিদিয়ে। বেংকে ঋণীজনৰ নামত এটা হিচাপ খোলে আৰু ঋণখিনি এই হিচাপটোত জমা হয়। সেয়েহে প্ৰত্যেকটা ঋণেই এটা আমানতৰ সৃষ্টি কৰে। চেকৰ সহায়ত ঋণৰ টকা উলিয়াব পাৰি। গতিকে বেংকে মুদ্ৰাৰ ঋণ দিয়াৰ লগতে আমানত সৃষ্টি হয়। প্ৰাথমিক আমানতৰ সহায়ত সৃষ্টি হোৱা এনে আমানতক উদ্ভুত আমানত (Derivative Deposits) বোলে।

উপভোক্তাসকলে এই ঋণৰ টকা বিভিন্ন প্ৰকাৰৰ লেনদেনৰ বাবে চেকৰ সহায়ত আদায় কৰি দিয়ে। আদায় দিয়াৰ বাবে তেওঁলোকে আমানত হিচাপে চেক প্ৰদান কৰে। যিবোৰ মানুহে চেকবোৰ গ্ৰহণ কৰে তেওঁলোকে আকৌ চেকবোৰ আন এটা বেংকত জমা দিয়ে। সেই বেংকটোৰ বাবে এয়াই প্ৰাথমিক আমানত হ'ব। বেংকে এই আমানতৰ এটা অংশ সংৰক্ষিত জমা পুঁজি হিচাপে ৰাখি বাকী টকাখিনি ঋণ দিয়াৰ বাবে ব্যৱহাৰ কৰিব। এই প্ৰক্ৰিয়াটো আন আন বেংকবোৰত

পুনঃ পুনঃ চলি থাকিব ফলত বেংকবোৰ এই প্ৰক্ৰিয়াটোত জড়িত হৈ পৰিব। ইয়াকে ঋণ গুণিতক বা Credit Multiplier বুলি কোৱা হয়।

ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো বুজিবলৈ হ'লে বিশেষ কেতবোৰ গুৰুত্বপূৰ্ণ ধাৰণা আৰু বিষয়ৰ ব্যাখ্যা কৰাৰ প্ৰয়োজনীয়তা আছে। সেইবোৰ তলত বহলাই আলোচনা কৰা হ'ল —

- আমি বুজিব লাগিব যে বেংক হ'ল এক *ব্যৱসায়িক প্ৰতিষ্ঠান* বা *বাণিজ্যিক উদ্যোগ*। ইয়াৰ মূল লক্ষ্য হ'ল ঋণ আৰু অগ্ৰিম প্ৰদানৰ জৰিয়তে সৰ্বোচ্চ লাভ আহৰণ কৰা।
- বেংক আমানতে ঋণ সৃষ্টিৰ ভিত্তি গঠন কৰে। *প্ৰাথমিক আমানত*বোৰ *গৌণ আমানত* সৃষ্টিৰ বাবে ব্যৱহাৰ কৰা হয় আৰু ইয়াতেই আৰম্ভ হয় ঋণ সৃষ্টিৰ প্ৰক্ৰিয়া।
- বেংকৰ মুঠ প্ৰাথমিক আমানতৰ মাত্ৰ এক সামান্য অংশহে বেংকে নগদ হিচাপে ৰাখে। এই অংশটো কিমান হ'ব সেয়া দেশৰ কেন্দ্ৰীয় বেংকে নিৰ্দ্ধাৰণ কৰি দিয়ে। ইয়াকে *নগদ সংৰক্ষণ অনুপাত* (CRR) বুলি কোৱা হয়।
- প্ৰয়োজনীয় নগদ সংৰক্ষণ বাদ দিয়াৰ পাচত বেংকৰ ওচৰত যি পৰিমাণৰ নগদ থাকে তাকে *অতিৰিক্ত সংৰক্ষণ* (excess reserve) বুলি কোৱা হয়। এই অৱশিষ্ট সংৰক্ষণৰ পৰাই ঋণ সৃষ্টি কৰা হয়।
- মুঠ গৌণ আমানত আৰু প্ৰাথমিক অতিৰিক্ত সংৰক্ষণৰ পৰিমাণৰ অনুপাতক *ঋণ গুণক* (Credit Multiplier) বুলি কোৱা হয়। যদি ৯০০ টকাৰ প্ৰাথমিক অতিৰিক্ত সংৰক্ষণে মুঠ ৯০০০ টকাৰ গৌণ আমানত সৃষ্টি কৰে। তেনেহ'লে ঋণ গুণক (Credit Multiplier) হ'ব ১০।

ঋণ গুণক = মুঠ গৌণ আমানত ÷ প্ৰাথমিক অতিৰিক্ত সংৰক্ষণ

= ৯০০০ টকা ৯০০ টকা = ১০

এটা সহজ উদাহৰণৰ সৈতে ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰা যাওঁক। উদাহৰণটোত বেংক ব্যৱস্থাত নগদ সংৰক্ষণৰ অনুপাত ১০% বুলি ধৰা হৈছে ।

ধৰা হওক ১নং ব্যক্তিয়ে ভাৰতীয় ষ্টেট বেংকত (SBI) ১০০০ টকা আমানত ৰাখিলে। সেইমতে SBI ৰ বেলেঞ্চছিটখন এনে ধৰণৰ হ'ব —

SBI	
দেনাপক্ষ	**পাওনাপক্ষ**
প্ৰাথমিক আমানত ঃ ১০০০ টকা	নগদ প্ৰাপ্তি ঃ ১০০০ টকা নগদ সংৰক্ষণ ঃ ১০০ টকা (১০০০ টকাৰ ১০%) অতিৰিক্ত সংৰক্ষণ ঃ ৯০০ টকা

ওপৰৰ উদাহৰণত দেখা যায় যে ১০০০ টকাৰ আমানতৰপৰা SBI ৰ ঋণ দিব পৰাকৈ ৯০০ টকাৰ অতিৰিক্ত সংৰক্ষণ আছে। ২নং ব্যক্তিয়ে ঋণৰ বাবে SBI ৰ ওচৰ চাপে তেন্তে

তেওঁৰ নামত ৯০০ টকাৰ এটা হিচাপ (Account) খুলি SBI য়ে এই কাম কৰিব। এতিয়া SBI ৰ বেলেঞ্চছিটখন এনে ধৰণৰ হ'ব —

SBI	
দেনাপক্ষ	**পাওনাপক্ষ**
প্রাথমিক আমানত ঃ ১০০০ টকা	নগদ প্রাপ্তি ঃ ১০০০ টকা
গৌণ আমানত ঃ ৯০০ টকা	ঋণ ঃ ৯০০ টকা

এতিয়া ধৰা হ'ল ২নং ব্যক্তিয়ে তেওঁৰ চেকখন য়ুনিয়ন বেংক অৱ ইণ্ডিয়া (UBI)-ত জমা কৰিলে। য়ুনিয়ন বেংক অৱ ইণ্ডিয়াৰ বেলেঞ্চছিটখন এতিয়া এনে ধৰণৰ হ'ব —

UBI	
দেনাপক্ষ	**পাওনাপক্ষ**
প্রাথমিক আমানত ঃ ৯০০ টকা	নগদ প্রাপ্তি ঃ ৯০০ টকা নগদ সংৰক্ষণ ঃ ৯০ টকা (৯০০ টকাৰ ১০%) অতিৰিক্ত সংৰক্ষণ ঃ ৮১০ টকা

এতিয়া ৮১০ টকাৰ অতিৰিক্ত সংৰক্ষণখিনি UBI য়ে ঋণ দিবলৈ ব্যৱহাৰ কৰিব। ৩নং ব্যক্তিৰ নামত এটা হিচাপ (Account) খুলি ৮১০ টকাৰ ঋণ আগবঢ়োৱা হ'ল। UBI ৰ বেলেঞ্চছিটখন এতিয়া এনে ধৰণৰ হ'ব —

UBI	
দেনাপক্ষ	**পাওনাপক্ষ**
প্রাথমিক আমানত ঃ ৯০০ টকা	নগদ প্রাপ্তি ঃ ৯০০ টকা
গৌণ আমানত ঃ ৮১০ টকা	ঋণ ঃ ৮১০ টকা

এতিয়া ধৰা হওক ৩নং ব্যক্তিয়ে ৮১০ টকাৰ চেকখন পঞ্জাৱ নেশ্যনেল বেংকত (PNB) জমা কৰিলে। এতিয়া PNB ৰ বেলেঞ্চছিটখন এনেধৰণৰ হ'ব —

PNB	
দেনাপক্ষ	**পাওনাপক্ষ**
প্রাথমিক আমানত ঃ ৮১০ টকা	নগদ প্রাপ্তি ঃ ৮১০ টকা নগদ সংৰক্ষণ ঃ ৮১ টকা (৮১০ টকাৰ ১০%) অতিৰিক্ত সংৰক্ষণ ঃ ৭২৯ টকা

পঞ্জাৰ নেশ্যনেল বেংক এতিয়া যদি ৪র্থ ব্যক্তিলৈ ৭২৯ টকাৰ ঋণ আগবঢ়ায় তেনেহ'লে PNBৰ বেলেঞ্চছিটখন হ'ব এনে ধৰণৰ —

PNB	
দেনাপক্ষ	**পাওনাপক্ষ**
প্ৰাথমিক আমানত ঃ ৮১০ টকা গৌণ আমানত ঃ ৭২৯ টকা	নগদ প্ৰাপ্তি ঃ ৮১০ টকা ঋণ ঃ ৭২৯ টকা

যেতিয়ালৈকে বেংকৰ চন্দুকত অতিৰিক্ত সংৰক্ষণ থাকিব তেতিয়ালৈকে আমানতৰ বিপৰীতে বেংকে এই প্ৰক্ৰিয়া অব্যাহত ৰাখিব। মুঠ গৌণ আমানতৰ পৰিমাণ পাবলৈ আমি পাটীগণিতৰ জ্ঞান ব্যৱহাৰ কৰিব পাৰোঁ —

মুঠ গৌণ আমানত ৯০০ টকা + ৮১০ টকা + ৭২৯ টকা। এতিয়া আমি দেখিলোঁ যে ওপৰৰ ৰাশিটো ০.৯ (১ - ০.১) ক সাধাৰণ উৎপাদক হিচাপে লৈ এক জ্যামিতিক প্ৰগতিত আছে। মুঠ গৌণ আমানত এনেদৰে লিখিব পাৰি —

মুঠ গৌণ আমানত = ৯০০ + ৯০০(১ - ০.১) + ৯০০(১ - ০.১)^{২} + ৯০০(১ - ০.১)^{৩}

+ .....

= ৯০০/১ - (১ - ০.১)

= ৯০০/০.১

= ৯০০০ টকা

এইদৰে আমি দেখিলোঁ যে ৯০০ টকাৰ প্ৰাথমিক আমানতে ৯০০০ টকাৰ গৌণ আমানত সৃষ্টি কৰিছে। অৰ্থাৎ ১০ গুণ বৃদ্ধি হৈছে। এয়ে হ'ল বহুগুণী ঋণ সষ্টি। সেয়ে ঋণ গুণক হ'ল ১০ গুণ। ঋণ গুণকৰ সূত্ৰটো আমি তলত দিয়া ধৰণে সৰলীকৰণ কৰিব পাৰোঁ —

ঋণ গুণক $= ১/_{CRR}$

ঋণ গুণক = মুঠ গৌণ আমানত / প্ৰাথমিক অতিৰিক্ত সংৰক্ষণ

= ৯০০০ টকা /৯০০ টকা

= ১০

= ১/১০%

= ১/নগদ সংৰক্ষণ অনুপাত (CRR)

অৰ্থাৎ ঋণ গুণক হ'ল নগদ সংৰক্ষণ অনুপাতৰ বিপৰীত। সংৰক্ষিত জমাৰ অনুপাত ১০ শতাংশ হ'লে ঋণ গুণিতক হ'ব ১০। সেয়েহে যেতিয়া প্ৰাৰম্ভিক অতিৰিক্ত আমানত ৯০০ টকা তাৰ পৰা ঋণ সৃষ্টি হ'ব- ৯০০ টকা × ১০ = ৯০০০ টকা। আকৌ যেতিয়া সুৰক্ষিত জমা পুঁজিৰ অনুপাত ৮ শতাংশ তেতিয়া ঋণ গুণিতক হ'ব ১২.৫। গতিকে প্ৰাৰম্ভিক অতিৰিক্ত আমানত ৯০০ টকা হ'লে ঋণ সৃষ্টি হ'ব - ৯০০ টকা × ১২.৫ = ১১,২৫০ টকা। সেয়েহে এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে সংৰক্ষিত জমাৰ অনুপাত যিমানে কম হ'ব সিমানে বেছি ঋণৰ সৃষ্টি

হ'ব। আনহাতে সংৰক্ষিত জমাৰ অনুপাত যিমানে উচ্চ হ'ব সিমানে কম ঋণৰ সৃষ্টি হ'ব।

ওপৰত দিয়া ঋণ সৃষ্টিৰ প্ৰক্ৰিয়াটো ব্যাখ্যা কৰিবৰ কাৰণে আমি তলত দিয়া চৰ্তসমূহৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব।

- দেশখনৰ বেংক ব্যৱস্থাত বহুতো বেংক আছে যেনে— ষ্টেট বেংক অৱ ইণ্ডিয়া (SBI), ইউনাইটেড বেংক অব ইণ্ডিয়া (UBI), পাঞ্জাৱ নেচনেল বেংক (PNB) ইত্যাদি।
- প্ৰত্যেকটো বেংকেই তেওঁলোকৰ মুঠ আমানতৰ ১০ শতাংশ সংৰক্ষিত কৰি ৰাখিব লাগিব। অৰ্থাৎ বেংকৰ বিধি অনুসৰি প্ৰয়োজনীয় সংৰক্ষিত জমাৰ অনুপাত ১০ শতাংশ।
- প্ৰথম বেংকটোৰ আমানত হৈছে ১০০০ টকা।
- প্ৰথম বেংকৰ পৰা উপভোক্তাই লোৱা ঋণ আটাইখিনি দ্বিতীয় বেংকটোত জমা হ'ব লাগিব। তেনেদৰে দ্বিতীয়টোৰ ঋণখিনি তৃতীয়টো বেংকত জমা হ'ব লাগিব ইত্যাদি।
- প্ৰত্যেক বেংকে ঋণীজনে জমা দিয়া আমানতক প্ৰাথমিক আমানত হিচাপে লৈ প্ৰক্ৰিয়াটো আৰম্ভ কৰিব।

ওপৰৰ আলোচনাৰ পৰা আমি এই সিদ্ধান্তত উপনীত হ'ব পাৰো যে ঋণ সৃষ্টিৰ বাবে আমি তলত দিয়া অৱস্থাবোৰৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব ঃ

(i) বেংকবোৰে জনসাধাৰণৰ পৰা নতুন আমানত গ্ৰহণ কৰিব লাগিব।

(ii) বেংকবোৰৰ ঋণ দিয়াৰ ইচ্ছা বা আগ্ৰহ থাকিব লাগিব বা বেংকবোৰ ঋণ দিবলৈ ইচ্ছুক হ'ব লাগিব।

(iii) ঋণীবোৰো ঋণ ল'বলৈ ইচ্ছুক হ'ব লাগিব।

৯.৪ ঋণ সৃষ্টিৰ ক্ষেত্ৰত থকা সীমাৱদ্ধতা

ঋণ সৃষ্টিৰ ক্ষমতা বাণিজ্যিক বেংকৰ একক কাৰ্য যদিও এই ক্ষমতা অসীম নহয়। ঋণ সৃষ্টিৰ ক্ষেত্ৰত দেখা দিয়া কেতবোৰ সীমাবদ্ধতা তলত চমুকৈ উল্লেখ কৰা হ'ল —

- **নগদ জমাৰ পৰিমাণ ঃ** ঋণ সৃষ্টিৰ ভিত্তি হ'ল প্ৰাথমিক আমানত। ইয়াত বেংকৰ কোনো সক্ৰিয় ভূমিকা নাথাকে। আমানতকাৰী বেংকলৈ আহিলেহে বেংকে প্ৰাথমিক আমানত লাভ কৰে। প্ৰাথমিক আমানত যিমান বেছি হ'ব ঋণৰ পৰিমানও সিমানেই বেছি হ'ব অথবা প্ৰাথমিক আমানত কম হ'লে ঋণৰ পৰিমানো কম হ'ব।
- **সংৰক্ষিত নগদ জমাৰ অনুপাত (CRR) আৰু বিধিগত তাৰল্যৰ অনুপাত (SLR) ঃ** ঋণ গুণক হ'ল নগদ সংৰক্ষণ অনুপাতৰ বিলোম। গতিকে সংৰক্ষিত জমাৰ অনুপাত উচ্চ হ'লে ঋণ সৃষ্টিৰ পৰিমাণ কম হয়। একেদৰে বিধিগত তাৰল্যৰ অনুপাতেও বেংকৰ লগত থকা নগদ ধনৰ পৰিমাণৰ পৰা বেংকে কিমান পৰিমাণৰ ঋণ দিব পাৰিব নিৰ্ধাৰণ কৰিব পাৰে। বিধিগত তাৰল্যৰ অনুপাতে যিমানে বেছি হয়, সিমানে ঋণ যোগ্য টকাৰ পৰিমাণ কমি যায় অৰ্থাৎ বেংকে কম ঋণ দিব পাৰিব। গতিকে কম পৰিমাণৰ ঋণ সৃষ্টি হ'ব।
- **বাহ্যিক নিৰ্গমন ঃ** বেংকৰপৰা জনসাধাৰণে নগদ জমা উলিয়াই অনাকে বাহ্যিক নিৰ্গমন

বোলা হয়। আমানতকাৰীয়ে জমাধনৰ কিছু অংশ উলিয়াব পাৰে। ই বেংকৰ অতিৰিক্ত সংৰক্ষণ হ্রাস কৰে যাৰ ফলত ঋণ সৃষ্টিৰ ক্ষমতা হ্রাস পায়।

- **ঋণ লোৱাৰ আগ্রহ ঃ** ঋণ লওতা সকলৰ ঋণৰ প্রতি আগ্রহ থাকিলেহে বেংকে উদ্ভূত আমানত সৃষ্টি কৰি ঋণ দিব পাৰে। ঋণৰ চাহিদা নাথাকিলে অতিৰিক্ত সংৰক্ষণ ব্যৱহাৰ কৰিব নোৱাৰি, যাৰ ফলত ঋণ সৃষ্টি নহয়।
- **বেংকৰ জৰিয়তে লেনদেনৰ অভ্যাস ঃ** জনসাধাৰণে চেকৰ পৰিবর্তে যদি নগদ মুদ্রাৰ জৰিয়তেহে লেনদেন কৰিবলৈ পচন্দ কৰে তেনেহ'লে বহুগুণী ঋণৰ সৃষ্টি সম্ভৱ নহ'ব। এক সুবিকশিত বেংক ব্যৱস্থাৰ উপস্থিতিয়েহে বেংকৰ জৰিয়তে লেনদেন কৰাৰ বাবে জনসাধাৰণক উৎসাহিত কৰে।
- **আনুষংগিক অংশ পত্রৰ যোগান ঃ** বেংকে আগবঢ়োৱা প্রতিটো ঋণ অংশপত্র, মজুত, বিনিময় পত্র আদিৰ জৰিয়তে সুৰক্ষিত কৰা হয়। সেয়ে তৰল সম্পদসমূহ মুদ্রালৈ ৰূপান্তৰ কৰিব পৰা বেংকৰ ক্ষমতা ঋণ গ্রহণকৰোঁতাৰ ওচৰত থকা এনে সম্পদৰ আয়তনৰ ওপৰত নির্ভৰশীল। অনুমোদিত অংশপত্রসমূহ পর্যাপ্ত পৰিমাণে নাথাকিলে বেংকে ঋণ আগবঢ়াব নোৱাৰে আৰু ঋণ সৃষ্টিও কৰিব নোৱাৰে। Crowther ৰ মতে, বেংকে বতাহৰ পৰা ঋণ সৃষ্টি নকৰে (Bank does not create money out of thin air), ই বেংকত মজুত থকা সম্পদবোৰকহে মুদ্রাত পৰিণত কৰে।
- **মুদ্রানীতি ঃ** দেশ এখনৰ কেন্দ্রীয় বেংকৰ মুদ্রাৰ পৰিমাণ প্রভাৱিত কৰাৰ ক্ষমতা থাকে। বেংক ব্যৱস্থাত ঋণ প্রসাৰৰ প্রক্রিয়াটোক প্রভাৱিত কৰিবলৈ ই বিভিন্ন ঋণ নিয়ন্ত্রণ পদ্ধতি ব্যৱহাৰ কৰে।
- **অতিৰিক্ত জমা ঃ** সাধাৰণতে অর্থ ব্যৱস্থাৰ অবনতিৰ স্তৰত অতিৰিক্ত জমাৰ উদ্ভৱ হয়। এনে ক্ষেত্রত বেংকে ঋণ দিয়াৰ পৰিৱর্তে পুঁজি সংৰক্ষণ কৰিবহে বিচাৰে। সেয়েহে এনে অৱস্থাত বাণিজ্যিক বেংকে সৃষ্টি কৰা ঋণ কমি যায়। যিহেতু বেংকে সৰহ পৰিমাণ নগদকৈ সংৰক্ষণ কৰে।
- **ব্যৱসায়ৰ পৰিস্থিতি ঃ** সাধাৰণতে এইটো দেখা যায় যে বেংকৰ ঋণ সৃষ্টিৰ পৰিমাণ অর্থ ব্যৱস্থাত বাণিজ্য চক্রৰ বিভিন্ন স্তৰৰ ওপৰত নির্ভৰশীল হয়। উদাহৰণ স্বৰূপে মন্দা অৱস্থাৰ স্তৰত ঋণ কমকৈ সৃষ্টি হয়। কাৰণ এই সময়ত ব্যৱসায়ীসকলে নতুন প্রকল্পত বিনিয়োগ কৰিব নিবিচাৰে। আনহাতে প্রাচুর্য্য বা সমৃদ্ধিৰ স্তৰত ব্যয়সায়ীসকলে বেংকবোৰক বেচি পৰিমাণে ঋণ দিবলৈ হেঁচা দিয়ে। যাৰ ফলত বেচি ঋণৰ সৃষ্টি হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ প্রাথমিক আমানত আৰু উদ্ভুত আমানতৰ মাজত পার্থক্য নির্ণয় কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ২ ঃ ঋণ গুণিতক কি? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

প্রশ্ন ৩ ঃ ঋণ গুণক আৰু সংৰক্ষিত নগদ জমাৰ অনুপাতৰ মাজত থকা সম্পর্ক উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



ঃ বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতাৰ দুটা সীমাৱদ্ধতা উল্লেখ কৰক। (৫০টা ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন ৫ ঃ বাণিজ্যিক বেংক আৰু কেন্দ্রীয় বেংকৰ মাজত থকা মৌলিক পার্থক্যবোৰ কি কি? (৯০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

.....

.....

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- বাণিজ্যিক বেংকে ঋণ সৃষ্টিৰ একক ক্ষমতা উপভোগ কৰে। প্ৰকৃততে এই কাৰ্যই বাণিজ্যিক বেংকক অন্য বিত্তীয় প্ৰতিষ্ঠানৰ পৰা পৃথক কৰে। এই বেংকসমূহে প্ৰাথমিক আমানতৰ পৰা উদ্ভুত (derivative) আমানত সৃষ্টিৰ দ্বাৰা এই কাৰ্য সম্পাদন কৰে।
- আমানতকাৰীয়ে বেংকলৈ আহি যি আমানতৰ সৃষ্টি কৰে তাকে প্ৰাথমিক আমানত বোলে। ঋণ গ্ৰহণ কৰোঁতালৈ ঋণ আগবঢ়াওতে যি আমানতৰ সৃষ্টি হয় তাকে গৌণ বা উদ্ভূত আমানত বোলে। এটা মাত্ৰ প্ৰাথমিক আমানতৰ পৰাই বহুসংখ্যক বা বহু গুণ উদ্ভূত আমানতৰ সৃষ্টি কৰিব পাৰি। ইয়াকে ঋণ সৃষ্টি বুলি কোৱা হয়।
- মুঠ প্ৰাথমিক আমানতৰ সামান্য অংশ এটাহে বেংকে নগদ হিচাপে জমা ৰাখে। এই অংশটো কিমান হ'ব সেয়া দেশৰ কেন্দ্ৰীয় বেংকৰ নিৰ্দেশ অনুযায়ী নিৰ্দ্ধাৰিত হয়। ইয়াকে নগদ সংৰক্ষণ অনুপাত বোলে।
- প্ৰয়োজনীয় নগদ সংৰক্ষণ অনুপাত ৰখাৰ পাচত বেংকৰ ওচৰত যি নগদ ৰৈ যায় তাকে অতিৰিক্ত সংৰক্ষণ বোলে। এই অতিৰিক্ত সংৰক্ষণৰ পৰাই ঋণ আগবঢ়োৱা হয় আৰু ঋণ সৃষ্টি কৰা হয়।
- উদ্ভুত আমানত আৰু প্ৰাৰম্ভিক জমাৰ পৰিমাণৰ মাজৰ অনুপাতকে ঋণ গুণিতক বোলে। ঋণ গুণিতক সংৰক্ষিত জমাৰ অনুপাতৰ মাজত বিপৰীত। সেয়েহে এই সিদ্ধান্তত উপনীত হ'ব পৰা যায় যে সংৰক্ষিত নগদ জমাৰ অনুপাত নিম্ন হ'লে ঋণ সৃষ্টি বেছি পৰিমাণৰ হয়। আনহাতে আকৌ সংৰক্ষিত জমাৰ অনুপাত বেছি হ'লে ঋণ সৃষ্টিৰ পৰিমাণ কম হ'ব।
- বাণিজ্যিক বেংকৰ দ্বাৰা ঋণ সৃষ্টিৰ বাবে প্ৰয়োজনীয় চৰ্তকেইটা হৈছেঃ জনসাধাৰণৰ পৰা নতুন আমানত গ্ৰহণ কৰা, বেংকৰ ঋণদানৰ প্ৰতি ইচ্ছুকতা আৰু ঋণীসকলৰ ঋণ লোৱাৰ প্ৰতি ইচ্ছুকতা।
- বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষমতা অসীম নহয়। ঋণ সৃষ্টিৰ ক্ষমতা নিৰ্ভৰ কৰে নগদ মুদ্ৰা, ঋণ গ্ৰহণকাৰীৰ আগ্ৰহ, কেন্দ্ৰীয় বেংকৰ মুদ্ৰানীতি, অংশপত্ৰৰ প্ৰাচুৰ্য, বাহ্যিক নিৰ্গমন, বেংকীয় অভ্যাস, ইত্যাদি কাৰকৰ ওপৰত।



৯.৬ অধিক জানিবৰ বাবে

ইংৰাজী গ্ৰন্থ ঃ

- Gupta, S. B. (1999). *Monetary Economics – Institutions, Theory and Policy*, New Delhi: S .Chand and Company Ltd.

- Paul, R. R. (2008). *Monetary Economics.* Ludhiana: Kalyani Publisher
- Rana, K. C. & Verma, K. N. (2009). *Macro Economic Analysis.* New Delhi: Vishal Publishing Co.

অসমীয়া গ্ৰন্থ ঃ

- আহমেদ, ৰফিক (২০০৭) ঃ *সমষ্টিগত অৰ্থতত্ত্ব*। যোৰহাট ঃ ইউনিকা প্ৰকাশন।

৯.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আমানতকাৰীয়ে বেংকলৈ আহি সৃষ্টি কৰা আমানতক প্ৰাথমিক আমানত বোলে। আনহাতে ঋণ আগবঢ়াবলৈ যাওতে বেংকে সৃষ্টি কৰা আমানতক গৌণ বা উদ্ভূত আমানত বোলে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ মুঠ উদ্ভূত আমানত আৰু প্ৰাথমিক অতিৰিক্ত সংৰক্ষণৰ পৰিমাণৰ অনুপাতক ঋণ গুণক (credit multiplier) বোলে। ইয়াক CRRৰ বিলোম (inverse) হিচাপে গণ্য কৰিব পাৰি।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণ গুণক হ'ল নগদ সংৰক্ষণ অনুপাত (CRR) ৰ বিলোম। অৰ্থাৎ ঋণ গুণক $^{1}/_{CRR}$ ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণ সৃষ্টিৰ ক্ষেত্ৰত বাণিজ্যিক বেংকৰ দুটা প্ৰধান সীমাবদ্ধতা হ'ল-

- ঋণৰ ভিত্তি হ'ল প্ৰাথমিক আমানত, কিন্তু ইয়াৰ সৃষ্টিৰ ক্ষেত্ৰত বেংকৰ কোনো সক্ৰিয় ভূমিকা নাই। আমানতকাৰী বেংকলৈ আহি হিচাপ খুলিলেহে বেংকে প্ৰাথমিক আমানত সৃষ্টি কৰিব পাৰে। প্ৰাথমিক আমানত যিমানেই বেছি হ'ব ঋণৰ পৰিমাণো সিমানেই বেছি হ'ব।
- আকৌ, ঋণগুণক হৈছে নগদ সংৰক্ষণ অনুপাতৰ বিলোম । অৰ্থাৎ ঋণ সংৰক্ষণ অনুপাত যিমানেই বেছি হ'ব ঋণ সৃষ্টিৰ পৰিমাণ সিমানেই কম হ'ব । ইয়াৰ বিপৰীতে ঋণ সংৰক্ষণ অনুপাত যিমানেই কম হ'ব ঋণ সৃষ্টি সিমানেই বেছি হ'ব ।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ বাণিজ্যিক বেংক আৰু কেন্দ্ৰীয় বেংকৰ মাজত থকা মৌলিক পাৰ্থক্যসমূহ হৈছে—

- কেন্দ্ৰীয় বেংক দেশখনৰ প্ৰধান মৌদ্ৰিক অনুষ্ঠান যাৰ ওপৰত দেশখনৰ বেংক ব্যৱস্থাৰ নিয়ন্ত্ৰণৰ দায়িত্ব অৰ্পণ কৰা হয়। বাণিজ্যিক বেংকবোৰ দেশখনৰ বেংক ব্যৱস্থাৰ এটা উপাদানহে।
- কেন্দ্ৰীয় বেংকে লাভজনক উদ্দেশ্যত কাম নকৰে। আনহাতে বাণিজ্যিক বেংকবোৰৰ প্ৰাথমিক বা মূল উদ্দেশ্যই হৈছে লাভ উপাৰ্জন কৰা।
- কেন্দ্ৰীয় বেংক সাধাৰণতে ৰাষ্ট্ৰৰ মালিকানাত থকা বেংক। আনহাতে বাণিজ্যিক বেংকবোৰ সাধাৰণতে ব্যক্তিগত মালিকানাৰ অনুষ্ঠান।

- কেন্দ্রীয় বেংকে জনসাধাৰণৰ লগত প্রত্যক্ষভাৱে বেংক ব্যৱসায় নচলায়। ইয়াৰ বিপৰীতে বাণিজ্যিক বেংকবোৰে জনসাধাৰণৰ লগত প্রত্যক্ষভাৱে ব্যৱসায় কৰে।
- কেন্দ্রীয় বেংকে বাণিজ্যিক বেংকৰ লগত প্রতিযোগিতা নকৰে, বৰং শেষ মুহূর্তৰ ঋণদাতা হিচাপেহে কাম কৰে।



৯.৮ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ ঋণ গুণিতক আৰু সংৰক্ষিত নগদ জমাৰ অনুপাতৰ মাজত কি সম্পর্ক আছে?

প্রশ্ন ২ ঃ জনসাধাৰণৰ বেংকীয় অভ্যাসে বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষেত্রত কেনে সীমাৱদ্ধতা আনে বিশ্লেষণ কৰক।

প্রশ্ন ৩ ঃ ঋণ গুণিতক কাক বোলে?

প্রশ্ন ৪ ঃ ঋণগত মুদ্রা সৃষ্টিৰ বাবে প্রয়োজনীয় চর্তবোৰ কি কি?

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা মান শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ লিখক)

প্রশ্ন ১ ঃ বাণিজ্যিক বেংকে কেনেকৈ ঋণ সৃষ্টি কৰে ব্যাখ্যা কৰক।

প্রশ্ন ২ ঃ সীমাহীনভাৱে ঋণ সৃষ্টি কৰাত বাণিজ্যিক বেংকক কিহে বাধা দিয়ে?

প্রশ্ন ৩ ঃ এখন দেশৰ কেন্দ্রীয় বেংক আৰু বাণিজ্যিক বেংকৰ মাজত তুলনা কৰক।

প্রশ্ন ৪ ঃ বাণিজ্যিক বেংকৰ ঋণ সৃষ্টিৰ ক্ষেত্রত ঋণ গুণিতকৰ ভূমিকা ব্যাখ্যা কৰক।

** ***** **